# সংহতি আৰু সমন্বয়ৰ উৎসৱ ওণম

এইবাৰ লিখিবলৈ লৈছো যোৱা ১৪ তাৰিখে ধূমধামেৰে উদ্‌যাপিত হোৱা উৎসৱ ওণমৰ বিষয়ে। ই প্ৰকৃততে কেৰালাৰ উৎসৱ যদিও এক বুজন পৰিমাণৰ মালায়ালী মানুহ থকাৰ বাবে মাইচুৰতো এই উৎসৱ পালন কৰা হয়। বিভিন্ন কাৰ্যসূচিৰে দহদিনীয়াকৈ পালন কৰা ওণম কেৰালাৰ ৰাজ্যিক উৎসৱ।

ওণমৰ অন্তৰালত থকা কাহিনীটো এনে ধৰণৰ। এসময়ত প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপূৰ কেৰালা ৰাজ্যত অসুৰ ৰজা মহাবলীয়ে ৰাজত্ব কৰিছিল। কেৰালাৰ ইতিহাসত মহাবলীৰ ৰাজত্বকালচোৱাক সোনালী যুগ বুলি বিশ্বাস কৰা হয়। তেওঁ আছিল হিৰণ্যকশিপূৰৰ পুত্ৰ প্ৰহ্লাদৰ নাতি। অসুৰ বংশৰ হ'লেও প্ৰহ্লাদৰ দৰেই তেওঁও বিষ্ণুৰ উপাসক আছিল। সাহস আৰু শক্তিৰ বাবে তেওঁক মহাবলী চক্ৰবৰ্ত্তী বুলি কোৱা হৈছিল। তেওঁৰ শাসনকালত কোনো ধৰণৰ অন্যায়, দুৰ্নীতি আদি নাছিল। কোনেও মিছা কথা নকৈছিল আৰু তাত কোনো ঠগ প্ৰৱঞ্চক নাছিল। ৰাজ্যত চোৰ, ডকাইত নাছিল বাবে ঘৰত কোনেও তলা মৰাৰ বা দুৱাৰ বন্ধ কৰাৰ প্ৰয়োজন নাছিল। দাৰিদ্ৰ এক নজনা নুশুনা কথা আছিল আৰু প্ৰজা দুখ, ব্যাধি আদিৰ পৰা সম্পূৰ্ণ মুক্ত আছিল। জাতি, বৰ্ণ নিৰ্বিশেষে সকলো প্ৰজাক সমজ্ঞান কৰা হৈছিল। সেয়ে প্ৰজাই সুখ শান্তিত বাস কৰিছিল।

মহাবলীৰ প্ৰতাপ আৰু জনপ্ৰিয়তা দেখি স্বৰ্গৰ ৰজা ইন্দ্ৰ চিন্তিত হৈছিল। সেয়ে মহাবলীক ছলে বলে কৌশলেৰে দমন কৰিবলৈ কিবা এটা উপায় উলিয়াবলৈ বিষ্ণুক ক'লে। সেই মতে ভগৱান বিষ্ণুৱে বামনৰ অৱতাৰ লৈ মহাবলীৰ আগত দেখা দি এটুকুৰা ভূমি ভিক্ষা কৰিলে। মহাবলী অত্যন্ত দানী আৰু দয়ালু আছিল আৰু কাকো কেতিয়াও নিৰুৎসাহ নকৰিছিল। সেয়ে তেওঁ বামনক যিমান মাটি লাগে সিমান মাটি ল'ব পাৰে বুলি ক'লে। তেতিয়া বামনে ক'লে যে মাত্ৰ তিনিটা খোজ দিবলৈ যিমান মাটিৰ প্ৰয়োজন হয় তেওঁ সিমান মাটিহে বিচাৰে।

ঋষি শুক্ৰাচাৰ্য্য আছিল মহাবলীৰ উপদেষ্টা। এইটো এটা চক্ৰান্ত বুলি বুজি পাই তেওঁ লগে লগে মহাবলীক সাৱধান কৰিলে। কিন্তু মহাবলীয়ে "কথা দি কথা ন ৰখাটো ৰাজকীয় গুণ নহয়" বুলি বামনক ভূমিদান কৰিবলৈ সাজু হ'ল। লগে লগে বামনৰ আকাৰ ইমানেই বাঢ়িল যে একেটা খোজতে পৃথিবীৰ সীমা পাৰ হ'ল। দ্বিতীয় খোজত আকাশৰ সীমা পাৰ হোৱাত তৃতীয় খোজ দি ভৰি থ'বলৈ ঠাই নোহোৱা হ'ল। লগে লগে মহাবলীয়ে বুজি পালে যে সেই চুটি চাপৰ ব্ৰাহ্মণ সাধাৰণ ব্ৰাহ্মণ নহয়। তৃতীয়বাৰ ভৰি থবলৈ মহাবলীয়ে নিজৰ মূৰটো আগবঢ়াই দিলে। বামনে ভৰিটো তেওঁৰ মূৰৰ ওপৰত থোৱাৰ লগে লগে মহাবলী পাতাল পালেগৈ। মহাবলীয়ে

বিষ্ণুক চিনি পাই ভক্তি প্ৰদৰ্শন কৰিলে আৰু ভগৱান বিষ্ণুৱে তেওঁক এটা বৰ দান কৰিব খুজিলে। মহাবলীয়ে নিজৰ মৰমৰ ৰাজ্যখন আৰু প্ৰজাক বছেৰেকত এবাৰ চাই যাবলৈ ইচ্ছা কৰিলে। ভগৱান বিষ্ণু তেওঁৰ কথাত ইমান আনন্দিত হ'ল যে তেওঁক সেই বৰদান কৰাৰ লগতে আশীৰ্ব্বাদ কৰিলে যে তেওঁ যুগ যুগান্তৰ বাবে তেওঁৰ প্ৰজাৰ প্ৰেম আৰু ভক্তি লাভ কৰিব।

মালয়ালম পঞ্জিকাৰ চিংগম মাহত এই উৎসৱ হয়। দহদিনীয়া এই উৎসৱৰ প্ৰধান দিনটোক তিৰুওণম বুলি কোৱা হয়। এই তিৰুওণম এই বছৰৰ চেপ্তেম্বৰৰ ১৪ তাৰিখে পৰিছিল। মহাবলীক স্বাগতম জনাবৰ বাবে মানুহবোৰে ঘৰৰ সন্মুখত উৎসৱৰ আৰম্ভণি দিনাই ৰং বিৰঙৰ ফুলৰ পাপৰিৰে 'পুকলম' আঁকে। 'পু' শব্দৰ অৰ্থ হৈছে ফুল। বিশ্বাস কৰা হয় যে সেইদিনাই মহাবলীয়ে মৰ্ত্তলৈ আহিবলৈ যোজা কৰে। প্ৰতিদিনে ইতিমধ্যে তৈয়াৰ কৰা পুকলমৰ ওপৰত নতুনকৈ ফুলৰ পাপৰি দি যোৱা হয়। পুকলমত দুটা মাটিৰে সজা মুৰ্ত্তি ৰখা হয় – এটা মহাবলীৰ আৰু আনটো বিষ্ণুৰ। স্কুল কলেজ, কাৰ্যালয় আদিতো পুকলম দেখা যায়। এই কাম প্ৰধানকৈ ছোৱালী বা তিৰোতায়ে কৰে যদিও ল'ৰায়ো এই কলা জানে। ওণমৰ সময়ত পুকলমৰ প্ৰতিযোগিতাও হয়।

ওণমৰ দিনা প্ৰধান আকৰ্ষণ হৈছে প্ৰায় ২৫/২৬ বিধ কেৰালাৰ পৰম্পৰাগত ব্যঞ্জনেৰে কলপাতত খোৱা নিৰামিষ ভোজন। মালায়ালী মানুহবোৰে সাধাৰণতে উখোৱা চাউলৰ ভাত খায়। কেৰালাত এবিধ বিশেষ কল পোৱা যায় – যাক নে'ন্দ্ৰ কল বোলা হয়। এই কলৰ পৰা তৈয়াৰ কৰা চিপছ অতি বিখ্যাত। এই কল তেওঁলোকে আৰু বিভিন্ন ধৰণেৰে খায়। ওণমৰ দিনা এই কলৰ পৰাও কেইবাবিধো ব্যঞ্জন তৈয়াৰ কৰা হয়। বিভিন্ন ধৰণৰ পাচলি মিলাই নাৰিকল দি 'আৱিল' নামৰ এবিধ বিশেষ তৰকাৰী সেইদিনা ৰন্ধাটো বাধ্যতামূলক। কেৰালাৰ মানুহে বিভিন্ন ধৰণৰ 'পায়সম' অৰ্থাৎ পায়স তৈয়াৰ কৰে। পিঠাগুৰিৰে এবিধ নিচেই মিহি মিহি গুটিৰ দৰে কৰি মানুহে শুকাই ৰাখে। তাৰে নাৰিকলৰ গাখীৰত এবিধ পায়স কৰে। সেই পায়স তৈয়াৰ কৰাৰ এটা নিৰ্দিষ্ট পদ্ধতি আছে। অতি উপাদেয় সেই পায়স ওণমৰ দিনা সকলো ঘৰতে পোৱা যায়। ওণমৰ দিনা খোৱা এই বিশেষ আহাৰক 'চাদ্যা' বুলি কোৱা হয়।

ওণমৰ আহাৰ সকলোৱে কলপাতত খায় – তেও দিনমজুৰেই হওক বা মহাৰজাই হওক, লাগিলে কেৰালাতে থাকক বা আন ৰাজ্যত বা বিদেশতে থাকক। এইবাৰ ওণমৰ কেইখনমান ছবি ফেচ্বুকত দেখি কিছু আচৰিত হৈছিল। মোৰ এসময়ৰ সহকৰ্মী আৰু বৰ্তমান নিউজিলেণ্ডৰ বাসিন্দা এণ্টনি থমাছৰ ঘৰত কেতবোৰ শ্বেতাংগলোকে কলপাতত ওণম চাদ্যা খাই থকাৰ ছবি দেখি আমোদিত হৈছিলো।

ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলো মালায়ালী মানুহে ওণম পালন কৰে। মোৰ অজস্ৰ মালায়ালী মানুহৰ লগত পৰিচয় আছে। মই পঢ়োৱা মালায়ালী ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হাজাৰৰ ওপৰত। কৰ্মসূত্ৰে বহুতো মালায়ালী লোকক নিচেই ওচৰৰ পৰা পাইছো। ইয়াত মোৰ ভাল বন্ধু-বান্ধবীসকলৰ অধিকাংশ মালায়ালী। বহুতো মালায়ালীক ওচৰ চুবুৰীয়া হিচাবেও পাইছো। গতিকে ওণম চাদ্যা মই বিভিন্নবাৰ বিভিন্ন পৰিবেশত খোৱাৰ সুযোগ পাইছো। মই আগতে ছোৱালী হোষ্টেলৰ ৱাৰ্ডেন হৈ থকা সময়ত মালায়ালী ছোৱালীবোৰে গোটেই হোষ্টেলৰ বাবে ওণমৰ খাদ্য তৈয়াৰ কৰিছিল। ৱাৰ্ডেন হিচাবে ময়ো কিছু তদাৰক কৰিবলগীয়া হৈছিল। ইয়াত মালায়ালী বিলাকৰ এখন সংস্থা আছে। তেওঁলোকে ধূমধামেৰে ওণম পাতে আৰু তাত খাবলৈ মই কেইবাবাৰো নিমন্ত্ৰিত হৈছো। ৰাজহুৱাভাবে ওণম উদ্যাপন কৰোতে দেখা যায় যে হিন্দু, মুছলমান, খৃষ্টান সকলোৱে সক্ৰিয় অংশ গ্ৰহণ কৰে। ইয়াৰ ওণম উদ্যাপন কমিটিৰ চেক্ৰেটেৰীজন প্ৰায়েই মুছলমান দেখা যায়। খৃষ্টানবোৰে নিজৰ ঘৰতো বন্তি জ্বলায়, পুকলম আঁকি, কলপাতত ওণম চাদ্যা খায়। আগতে আমাৰ সন্মুখৰ ফ্লেটটোত এঘৰ চিৰিয়ান খৃষ্টান আছিল। তেওঁলোকৰ ঘৰত কেইবাবাৰো ওণমৰ ভাত খাইছো। ইষ্টাৰ আৰু খৃষ্টমাছৰ বাবে অৱশ্যেই নিমন্ত্ৰণ পাইছিলো। মই আগতেও এবাৰ লিখিছিলো যে মই কেৰালাৰ বডিড়িকা নামৰ ঠাই এখনত পঢ়াবলৈ যাওঁ। এবাৰ মই ওণমৰ দিনা তাত আছিলো বাবে তেওঁলোকে কেনেদৰে উদ্যাপন কৰে স্বচক্ষে দেখিবলৈ পাইছিলো – হিন্দুসকলৰ দৰেই। আমি সকলোৱে একেলগে বহি হোষ্টেলৰ ডাইনিং ৰুমত কলপাতত সেই বিশেষ আহাৰ খাইছিলো।

মই এতিয়ালৈকে কোনো মুছলমানৰ ঘৰলৈ নিমন্ত্ৰিত হোৱা নাই বাবে তেওঁলোকে ঠিক কেনেদৰে পালন কৰে দেখা নাই। তেওঁলোকে চাকি জ্বলায় বুলি মই ভবা নাছিলো কিন্তু মোৰ দুই এক মালায়ালী মুছলমান ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ ঘৰত চাকি জ্বলায় বুলি কৈছে। কিন্তু উত্তৰ কেৰালাৰ মুছলমানসকলে চাকি জ্বলায় বুলি মোৰ মনে নধৰে।

ওণমৰ দিনা মহাবলীক বন্দনা কৰি এটা গান গোৱা হয়। মহাবলীৰ দিনত ৰাজ্যখন কেনে এক আদৰ্শ ৰাজ্য আছিল সেই কথাই গানটোত প্ৰধান স্থান পায়। ওণম উপলক্ষে কেৰালাত বিভিন্ন ধৰণৰ খেল-ধেমালি আদিৰ প্ৰতিযোগিতা হয়। সেই উপলক্ষে হোৱা নৌকাদৌৰ (Boat race) বিশ্ববিখ্যাত। দীঘল দীঘল নাওবোৰৰ আকৃতি সাপৰ দৰে বাবে তাক সৰ্পনৌকা (Snake boat) বোলা হয়। বাঘৰ ছালৰ দৰে বস্ত্ৰ পৰিধান কৰি এবিধ নৃত্য কৰা হয়। জনবিশ্বাস মতে মহাবলীয়ে তেওঁৰ প্ৰজাৰ সুখ, শান্তি আৰু সমৃদ্ধি মনে প্ৰাণে কামনা কৰিছিল। প্ৰজাক অসুখী দেখিলে মহাবলীয়ে মনোকষ্ট পাব বুলি ওণমক সুখ, শান্তি, সমৃদ্ধি, সংহতি আৰু সমন্বয়ৰ উৎসৱ হিচাবে পালন কৰা হয়।

ওণমৰ তাৎপৰ্য্যৰ বিষয়ে চিন্তা কৰোতে মোৰ মনত খেলাইছে – ভাৰতবৰ্ষৰ প্ৰথমখন কমিউনিষ্ট তথা অকংগ্ৰেছী চৰকাৰ সম্ভৱপৰ হৈছিল এই কাৰণেই যে সাম্যবাদী মনোভাৱ কেৰালাৰ জনমানসত আগৰে পৰাই আছে। ওচৰ চুবুৰিয়া যদিও কৰ্ণাটকৰ মানুহৰ মনোভাৱ কিছু পৰিমাণে সামন্তবাদী। ইয়াত এজনী ৫ বছৰীয়া ছোৱালীয়েও এগৰাকী ৬৫ বছৰীয়া কাম কৰা মানুহক নাম কাঢ়ি মাতিব পাৰে। কিন্তু কেৰালাত কাম কৰা মানুহক নিজতকৈ ডাঙৰ হ'লে দাদা বা বাইদেউ বুলি মাতে। মই ওপৰত উল্লেখ কৰা মাৰতোমা কলেজত সুগন্ধী নামৰ এগৰাকী চতুৰ্থ বৰ্গৰ কৰ্মচাৰী আছে। তেওঁক সকলোৱে (আনকি ডাইৰেক্টৰ, প্ৰিন্সিপালেও) চে'চি (বাইদেউ) বুলিয়েই সম্বোধন কৰে। গোটেই কলেজখনত ময়েই বোধ কৰো একমাত্ৰ ব্যক্তি যি তেওঁক নাম কাঢ়ি মাতো।

কেৰালাৰ মানুহ আগৰে পৰাই আন মানুহৰ তুলনাত আগবঢ়া – পৃথিবীৰ বিভিন্ন প্ৰান্তলৈ তেওঁলোকৰ প্ৰব্ৰজন আগৰে পৰাই চলি আহিছে। কোৱা হয় যে পৃথিবীপৃষ্ঠত এনে কোনো ঠাই নাই যত মালায়ালীয়ে পদৰ্পণ কৰা নাই। এই সম্পৰ্কীয় এটা কৌতুক অৱশ্যেই উল্লেখযোগ্য। মহাকাষচাৰী নীল আৰ্মষ্ট্ৰঙে চন্দ্ৰপৃষ্ঠত প্ৰথম খোজ দি গৌৰৱ বোধ কৰাৰ মুহূৰ্ততে ধুতিখন উঠাই পিন্ধা এজন মানুহে হেনো 'চায়ে চায়ে' বুলি তেওঁলৈ এপিয়লা চাহ আগবঢ়াই দিছিল। অৰ্থাৎ আৰ্মষ্ট্ৰঙে ভৰি দিয়াৰ আগতেই মালায়ালী মানুহে তাত বসবাস কৰিছিল।

মালায়ালী মানুহৰ বৈশিষ্ট্য এয়েই যে তেওঁলোক পৃথিবীৰ যি ঠাইলৈকে নাযাওক লাগে স্থানীয় মানুহৰ লগত কোনো সংঘাত নোহোৱাকৈ মিলাপ্ৰীতিৰে বাস কৰে। কিন্তু নিজত্ব, নিজৰ সংস্কৃতি আৰু ভাষা জীয়াই ৰাখে।

মই ব্যক্তিগতভাৱে মালায়ালী মানুহৰ অতিশয় গুণমুগ্ধ। এটা প্ৰধান কাৰণ হৈছে মানৱ সম্পদ উন্নয়নৰ ক্ষেত্ৰত তেওঁলোকৰ অদমনীয় প্ৰচেষ্টা। কেৰালা ভাৰতবৰ্ষৰ প্ৰথমখন সম্পূৰ্ণ স্বাক্ষৰ ৰাজ্য কেনেকৈ হ'ব পাৰিলে সেই কথা এতিয়া মানুহবোৰক পোৱাৰ পিছতহে উপলব্ধি কৰিব পাৰিছো। কেৰালাৰ সমাজ ঠিক মাতৃতান্ত্ৰিক নহলেও মূলতঃ মাতৃপ্ৰধান। ল'ৰা আৰু ছোৱালীৰ মাজত ভেদভাৱ আগৰে পৰাই নাই। ছোৱালীয়ে আগৰে পৰাই সম্পত্তিৰ ভাগ পাই আহিছে। ভাৰতবৰ্ষৰ অন্য হিন্দু নাৰীৰ দৰে The Hindu Succession (Amendment) Act, 2005 লৈ কেৰালাৰ নাৰীয়ে বাট চাবলগীয়া হোৱা নাছিল। তৃতীয়তে কেৰালাৰ মানুহৰ মাজত যি পাৰস্পৰিক সহযোগিতা দেখা যায় সি অনন্য আৰু অতুলনীয়।

দৰাচলতে কেৰালাৰ মানুহৰ বিশিষ্ট গুণবোৰ সম্পৰ্কে কেইবাখনো ৰচনা লিখিব পাৰি। তেওঁলোকৰ উৎসৱৰ বিষয়ে লিখাৰ বাবেই মানুহবোৰৰো এটা চমু আভাষ দিবলৈ চেষ্টা কৰিলো।